Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

দশম শ্ৰেণীৰ বাবে

দ্বিতীয় ভাগ

অসমীয়া সাহিত্য চয়নিকা (নতুন)

(বাধ্যতামূলক)



এটা খড়্গ থকা গঁড় অসমৰ সম্পদ,
এই গঁড় বধ কৰাজন অসমৰ বৈৰী।

পাঠ - ৬

উদ্যোগী হওঁ আহাঁ

অংশ - ১

অংগৰাগ ভূঞা

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

গদ্যাংশ



উদ্যোগী হওঁ আহাঁ

দেৱজিৎ ভূঞা

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

লেখক - পৰিচিতি

দেৱজিৎ ভূঞা :

১৯৬১ চনৰ ২৪ এপ্ৰিলত তেজপুৰৰ মিছন চাৰিআলিৰ ওচৰৰ কেতেকী বাৰীত দেৱজিৎ ভূঞাৰ জন্ম হয়। তেওঁ পিতৃ প্ৰয়াত সুৰেন্দ্ৰ নাথ ভূঞা আৰু মাতৃ মনোৰমা ভূঞা।

ৰহা উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা সুখ্যাতিৰে ১৯৭৬ চনত উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা ভূঞাদেৱে ১৯৮৪ চনত অসম অভিযান্ত্রিক মহাবিদ্যালয়ৰ পৰা বৈদ্যুতিক

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

অভিযান্ত্রিক বিভাগত উত্তীর্ণ হৈ পিছত বঙাইগাঁও শোধানাগাৰত অভিযন্তা হিচাপে তেওঁ যোগদান কৰে। পৰবর্তী সময়ত ২০২১ বর্ষত তাৰেপৰাই ইলেকট্রিকেল বিভাগৰ মেনেজাৰ পদত অধিষ্ঠিত হৈ অৱসৰ গ্রহণ কৰে।

বুলেট চলোৱা ছোৱালীজনী, কবিতাৰ আকাশ, জুবিন গার্গ জিন্দাবাদ, নতুন নায়িকা হিমা, সফল যাযাবৰ, শিশু হ'বৰ মন যায়, এনিশাৰ কবিতা, এদিনৰ কবিতা, জয় আই অসম, লাহে লাহেৰ দেশ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

90

আদি ৩০ খন অসমীয়া গ্ৰন্থ ৰচনা কৰাৰ উপৰিও - Butterfly, Me too, The Black Hole, The world I want to see, Winning Profile, Let us bloom together, One Night's Guest, Multiple Career Choices, Big Bang to Bill Gales আদিকে ধৰি ৪০ খন ইংৰাজী গ্ৰন্থ ৰচনা কৰি প্ৰকাশ কৰিছে।

ইয়াৰ উপৰিও ৬ খন ই মাধ্যমৰ গ্ৰন্থ প্ৰকাশ কৰাৰ লগতে কেইবাখনো জনপ্ৰিয় বাতৰি কাকত, আলোচনী আদিতো তেওঁৰ বহু প্ৰবন্ধ প্ৰকাশ হৈছে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

উদ্যোগী হওঁ আহাঁ

'সুপ্রভাত শিক্ষার্থীসকল।'

'সুপ্রভাত ছাৰ।' দশম শ্রেণীৰ শ্রেণী কোঠাত সোমাই শ্রেণী শিক্ষক প্রকাশ গোস্বামীয়ে সকলোকে পুৱাৰ সম্ভাষণ জনোৱাৰ লগে লগে শিক্ষার্থীসকলেও থিয় হৈ প্রতি সম্ভাষণ জনালে।

'আজি মই তোমালোকৰ লগত এটি নতুন বিষয় সম্পর্কে আলোচনা কৰিম।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

এজন ব্যক্তিয়ে কেনেকৈনো নিজকে এজন উদ্যোগী ব্যক্তি হিচাপে গঢ়ি তুলিব পাৰে। তোমালোক শুনিবলৈ আগ্রহীনে?'

'হয় ছাৰ।' শিক্ষকৰ কথাত সকলো শিক্ষার্থীয়ে একেমুখে চিঞৰিলে।

'তেন্তে শুনা। অসমীয়াত এষাৰ কথা আছে 'উদ্যোগী পুৰুষ সিংহৰ সমান, এলেহুৱা কাপুৰুষৰ নিচান।' ইয়াৰ অর্থ এয়ে যে এজন উদ্যোগী অর্থাৎ আন্ট্রাপিনিওৰ আৰু কর্মহীন নিবনুৱাৰ মাজত থকা ক্ষুদ্র ব্যৱধান হ'ল এলাহ।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

আচলতে সকলোতকৈ সহজ কাম হ'ল এজন উদ্যোগী বা আন্ট্রাপিনিওৰ হোৱা। কিয়নো ইয়াৰ বাবে কোনো বিশ্ববিদ্যালয়ৰ ডাঙৰ ডিগ্ৰী নালাগে। ইয়াৰ বিপৰীতে আটাইতকৈ কঠিন কাম হ'ল এজন সফল উদ্যোগী হোৱা।'

'ছাৰ! সফল উদ্যোগী হ'বলৈনো কিয় কঠিন?' - ছাৰৰ কথাখিনি শুনি বিদিশা নামৰ ছোৱালীজনীয়ে প্ৰশ্ন কৰিলে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

'কাৰণ এজন সফল উদ্যোগী হ'বৰ বাবে লাগিব ধৈর্য্য, একাগ্রতা, নিয়মানুবর্তিতা, সময়ানুবর্তিতা, আত্মবিশ্বাস আৰু হাৰ নমনা মনোবৃত্তি। সকলোৰে এই গুণবোৰ নাথাকে। সেইবাবে সফল উদ্যোগী হোৱাটো টান বুলি কৈছোঁ।'- বিদিশাৰ প্রশ্নৰ উত্তৰ দি প্রকাশ ছাৰে ক'লে।

'বাৰু, তোমালোকৰ ভিতৰত কিমানে চাইকেল চলাব জানা হাত দাঙাচোন।' ছাৰৰ কথা শুনি চাৰিটামান ল'ৰা-ছোৱালীক বাদ দি বেছিভাগেই হাত দাঙিলে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

'তোমালোকে একেদিনাই ভালদৰে চাইকেল চলাব পাৰিছিলানে?'

-'নাই পৰা ছাৰ।' ছাৰৰ কথা শুনি সকলোৱে একেলগে চিঞৰি ক'লে।

'সকলোৱে প্ৰথমে তলত ওলমি চাইকেল শিকা আৰম্ভ কৰে। বহুতৰে চাইকেলৰ পৰা পৰি হাত-ভৰিৰ ছাল-বাকলি এৰাই যায়। কাৰোবাৰ কাৰোবাৰ পৰি হাত-ভৰিও ভাঙে। যিসকলে ছালবাকলি যোৱাৰ পাছত বা হাত-ভৰি ভঙাৰ পাছত ভয়তে পুনৰ শিকিবলৈ চেষ্টা নকৰে,

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

তেওঁলোকে আৰু জীৱনত কোনোদিনে চাইকেল চলাব নোৱাৰে। যিসকলে ছালবাকলি এৰোৱাৰ পাছতো চেষ্টা কৰি যায়, প্ৰথমে তলত চলাব পৰা হয়, তাৰ পাছত লাহে লাহে জাঁপ মাৰি ওপৰত উঠি 'হাফ পেদেল' মাৰি চলাব পৰা হয় আৰু এদিন 'ফুল পেদেল' মাৰি চলাব পৰা হৈ লগৰীয়াৰ লগত জোৰেৰে চলোৱা, লাহে লাহে চলোৱা প্ৰতিযোগিতাত অৱতীৰ্ণ হয়। এজন উদ্যোগী হ'বলৈ যোৱাটোও চাইকেল চলাবলৈ শিকাৰ দৰে একক প্ৰচেষ্টাৰ কাম।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

বহুতেই প্ৰথম বিফলতাতে এৰি দিয়ে, কোনোবাই দুবাৰত এৰি দিয়ে, কোনোবাই তিনিবাৰ বিফল হ'লে এৰি দিয়ে। কিন্তু যিয়েই এৰি নিদি লাগি থাকে তেৱেই এদিন এজন সফল উদ্যোগী হয়গৈ। এতিয়া বুজি পালানে এজন সফল উদ্যোগী হ'বলৈ কিহৰ প্ৰয়োজন?'

"হয় ছাৰ! ভালদৰে বুজি পালোঁ।" সকলোৱে একে মুখে চিঞৰি উত্তৰ দিলে।

'তোমালোকে টি.ভি. চোৱানে?'-শিক্ষকে পুনৰ সুধিলে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

চাওঁ ছাৰ! সকলোৱে চিঞৰি উত্তৰ দিলে।
"ক'কা ক'লা কোম্পানীৰ এটা বিজ্ঞাপন তোমালোকে নিশ্চয় দেখিছা য'ত কয়- 'Eat cricket, sleep cricket, dream cricket, drink cricket.' উদ্যোগী হ'ব বিচৰা এজন ছাত্ৰ বা ব্যক্তিৰ বাবে এই বিজ্ঞাপনটো অতি গুৰুত্বপূৰ্ণ। খাওঁতে, শোওঁতে, উঠোঁতে-বহোঁতে অনবৰতে উদ্যোগী ব্যক্তি গৰাকীয়ে নিজৰ লক্ষ্য বা সপোন সাৰ্থক কৰিবৰ বাবে নিৰৱচ্ছিন্নভাৱে কাম কৰি যাব লাগিব।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

লগতে তেওঁৰ লাগিব এক সৃজনশীল মন। এজন উদ্যোগীয়ে প্ৰতিটো খোজতে পৰিৱেশ আৰু পৰিস্থিতিৰ লগত খাপ খুৱাই নিজৰ খোজ আগবঢ়াব লাগিব। ক্ৰিকেট খেলত কোনোবা অভাৰত এজন ভাল বেটচমেনেও ভাল বলাৰৰ বাবে ৰাণ কৰিব নোৱাৰিলেও নিজৰ উইকেট বচাই ৰাখি চিক্সাৰৰ বাবে ঢিলা বলৰ অপেক্ষাত থকাৰ দৰে উদ্যোগী এজনেও ধৈর্য্য আৰু একাগ্ৰতাৰে সুযোগৰ অপেক্ষা কৰি সুযোগ অহাৰ লগে লগে তাৰ সম্পূৰ্ণ সদ্ব্যৱহাৰ কৰিব লাগিব।"

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

'বাৰু তোমালোকে ইনফচিচ (Infosys) কোম্পানীৰ নাম শুনিছানে?' 'শুনিছোঁ ছাৰ।' 'ইনফচিচ কোম্পানীৰ প্ৰতিষ্ঠাপক নাৰায়ণ মূৰ্ত্তী ভাৰতবৰ্ষ তথা বিশ্বৰ এজন সফল উদ্যোগী বা আন্ট্রাপিনিওৰ। কিন্তু তেওঁ কোনো সোণৰ চামুচ মুখত লৈ জন্ম হোৱা নাছিল। কৰ্ণাটকৰ এক নিম্ন মধ্যবিত্ত পৰিয়ালত তেওঁৰ জন্ম হৈছিল। সৰুৰে পৰা এজন উদ্যোগী হোৱাৰ তেওঁৰ দুৰ্বাৰ হেঁপাহ আৰু হাবিয়াস আছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

সেয়ে অভিযান্ত্রিক শিক্ষা সমাপ্ত কৰি কিছুদিন চাকৰি কৰাৰ পাছতে তেওঁ চাকৰি ত্যাগ কৰি Softronics নামৰ এক কোম্পানী প্রতিষ্ঠা কৰে। কিন্তু প্রতিষ্ঠা কৰাৰ ডেৰ বছৰৰ পাছতে দেউলীয়া হৈ কোম্পানীটো বন্ধ হৈ যায়। কোম্পানীটো বন্ধ হৈ যোৱাৰ পাছত নাৰায়ণ মূর্ত্তীদেৱে পুনৰ চাকৰিত যোগদান কৰে যদিও অৱশেষত চাকৰি বাদ দি কেইজনমান বন্ধুৰ লগ লাগি আৰু Infosys নামৰ কোম্পানী আৰম্ভ কৰে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

এই কোম্পানী খুলিবৰ বাবে নাৰায়ণ মূৰ্ত্তীক তেওঁৰ পত্নীয়ে দহ হাজাৰ টকা নিজৰ সাচতীয়া ধনৰ পৰা আগবঢ়াই দিয়ে। নিজৰ ঘৰৰ পৰা দহ হাজাৰ টকা মূলধনেৰে আৰম্ভ কৰা ইনফচিচ প্ৰথম অৱস্থাত বহুতো বাধা, ঘাত-প্ৰতিঘাতৰ সন্মুখীন হ'ব লগা হৈছিল; নব্বেৰ দশকত তেতিয়াৰ বিত্তমন্ত্রীয়ে ভাৰতীয় অৰ্থনীতিক মুকলি কৰি দিয়াত ইনফচিচৰ হাতলৈ অফুৰন্ত সুযোগ আৰু সুবিধা আহে। সময়ৰ শৰ সময়ত মৰাৰ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

পাছত নাৰায়ণ মূৰ্ত্তী আৰু তেওঁলোকৰ কোম্পানীয়ে পাছলৈ ঘূৰি চাব লগা নহ'ল। ধৈর্য্য আৰু একাগ্রতাৰে সুযোগৰ অপেক্ষা কৰি সময়ৰ শৰ সময়ত মৰাত আজি নাৰায়ণ মূৰ্ত্তী বিশ্বৰ ভিতৰত এজন সফল আৰু নামজ্বলা উদ্যোগী।"

'শিক্ষার্থীসকল! তোমালোকে নিশ্চয় এতিয়া উদ্যোগী কোনসকল ব্যক্তিক কোৱা হয় বুজিব পাৰিছা?'

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

"হয় ছাৰ! উদ্যোগীসকল হ'ল এনে ব্যক্তি যিয়ে নিজে ব্যবসায় বা উদ্যোগ আৰম্ভ কৰি কোনো বস্তু বা সেৱা বিক্রী কৰি নিজৰ জীৱিকা উলিওৱাৰ লগতে আনকো কর্ম সংস্থান দিবলৈ সক্ষম হয়।" ছাৰৰ প্রশ্নৰ উত্তৰ দি বিজিতে ক'লে।

বিজিতৰ উত্তৰ শুনি ছাৰে হাঁহি মাৰি ক'লে- "তুমি ঠিকেই কৈছা বিজিত। নিজৰ ইচ্ছামতে নিজৰ সময়সূচী ঠিক কৰি নিজৰ উদ্ভাৱনা আৰু কর্মশক্তিৰে নিজকে প্রতিষ্ঠা কৰা প্রতিজন

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

ব্যক্তিয়েই একো একোজন উদ্যোগী বা entrepreneur। সেই হিচাপত জুবিন, পাপনৰ দৰে এজন শিল্পী, এখন ৰেষ্টোঁৰা বা ধাবাৰ মালিক, এখন গেলামালৰ দোকানৰ মালিক নতুবা এখন বিউটি পার্লাৰ চলোৱা ব্যক্তি সকলোৱেই একো একো গৰাকী উদ্যোগী।"

'ছাৰ! এজন উদ্যোগী হ'বৰ বাবে শিক্ষাগত অৰ্হতা কেনেধৰণৰ হ'ব লাগিব?' মাজতে প্ৰীতমে সুধিলে।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

তুমি কোনটো দিশত উদ্যোগী হ'বলৈ বিচাৰিছা তাৰ ওপৰত তোমাৰ প্ৰয়োজনীয় শিক্ষাগত অৰ্হতাটো নিৰ্ভৰ কৰিব। এখন ধাবা খোলাৰ বাবে বা এখন গেলামালৰ দোকান খোলাৰ বাবে অথবা এখন শাক- পাচলিৰ দোকান খুলি স্বাবলম্বী হ'বৰ বাবে বিশেষ কোনো শিক্ষাগত অৰ্হতাৰ প্ৰয়োজন নাই। কিন্তু এইবোৰ ব্যৱসায়তো কৃতকাৰ্য্য হ'বৰ বাবে বুদ্ধি আৰু সাধাৰণ জ্ঞানৰ প্ৰয়োজন হয়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

আনহাতে এখন বিউটি পার্লাৰ বা মটৰ গাড়ী ভাল কৰা গেৰেজ বা মোবাইল ফোন, টি.ভি. ভাল কৰা দোকান খুলিবৰ বাবে নিজৰ সেই কামৰ কৌশল বা Skill থকাটো প্রয়োজন। কেৱল আনৰ ওপৰত নির্ভৰ কৰি এনেবোৰ ব্যৱসায়ত কৃতকার্য্যতা লাভ কৰিব নোৱাৰি।

আকৌ বর্তমান সময় প্রযুক্তি (Technology), তথ্যপ্রযুক্তি (Information technology) আৰু জ্ঞান (Knowledge) ৰ ওপৰত ভিত্তি কৰি গঢ় লোৱা অর্থনীতি আৰু সমাজ ব্যৱস্থাৰ সময়।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

গতিকে এনেবোৰ বিষয়ত উদ্যোগী হ'ব বিচাৰিলে এনে বিষয়ৰ শিক্ষা, জ্ঞান আৰু কৌশলসমূহ আহৰণ কৰাটো অতিকে গুৰুত্বপূৰ্ণ। কম্পিউটাৰ ইঞ্জিনিয়াৰিং বা ইলেকট্রনিক্স ইঞ্জিনিয়াৰিং বা MBA আদি ডিগ্রী আহৰণ কৰি তথ্যপ্রযুক্তিৰ লগত জড়িত ব্যৱসায় বা উদ্যোগ আদি স্থাপন কৰিলে কৃতকার্য্যতা লাভ কৰাৰ অধিক সম্ভাৱনা থাকে। এখন হস্পিতেল বা নার্ছিং হোম প্রতিষ্ঠা কৰিবৰ বাবে নিজে এজন ডাক্তৰ বা MBBS ডিগ্রীধাৰী হোৱাটো প্রয়োজন।

Under CSR Support by ipca Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



১। দশম শ্রেণীৰ শ্রেণীকোঠাত সোমোৱা শ্রেণী-শিক্ষক গৰাকীৰ নাম কি?

প্রবাল গোস্বামী

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



২। "ছাৰ! এজন সফল উদ্যোগী হ'বলৈনো কিয় কঠিন?" – এই কথাষাৰ কোনে সুধিছিল ?

বিদিশা

Under CSR Support by ipca Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



৩। ইন্‌ফচিচ কোম্পানীৰ প্ৰতিষ্ঠাপক কোন ?

নাৰায়ণ মূৰ্তি

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



বুকা কলা

৪। “Eat cricket, sleep cricket, dream cricket, drink cricket” – এইটো কিহৰ বিজ্ঞাপনত দেখা পোৱা যায় ?